


শ্রীমহাদেব শর্ম্মা ।

এই সংস্কৰণ প্ৰকাশৰ ভাৰ

শ্ৰীভাবিৰাম কলিতাক

( বুক চেলাৰ্স, তেজপুৰ )

দিয়া হল ইতি।

১৮৪৭ শক।

শ্ৰীমহাদেব শৰ্ম্মা,

স্বত্বাধিকাৰী,

তেজপুৰ।

*Approved by the Text-Book-Committee as Prize & Library-Book.*

# সাবিত্ৰী

GOVERNMENT OF ASSAM.
Call No............
DISTRICT LIBRARY.

শ্ৰীমহাদেব শৰ্ম্মা এম, এল, টি প্ৰণীত

আৰু

শ্ৰীভাবিৰাম কলিতা,

বুক চেলাৰ, তেজপুৰৰ পঃ

প্ৰকাশিত।

২য় তাঙৰণ

১৮৪৬ শক

পকা বন্ধা ৷৷০ অনা মাত্ৰ। ] [ বেচ থনে ।৶০ অনা মাথোন।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

কলিকতা
২নং বেথুন ৰো, ভাৰতমিহিৰ যন্ত্ৰত
শ্ৰীসৰ্ব্বেশ্বৰ ভট্টাচাৰ্য্য দ্বাৰা
মুদ্ৰিত।

# মঙ্গলাচৰণম্ ।

শ্ৰীশ্ৰীগুৰবে নমঃ ।

—:০:—

অখণ্ড মণ্ডলাকাৰং ব্যাপ্তং যেন চৰাচৰম্ ।

তৎপদং দৰ্শিতং যেন তস্মৈ শ্ৰীগুৰবে নমঃ ॥ ১ ॥

যা দেবী সৰ্ব্বভূতেষু মাতৃৰূপেণ সংস্থিতা ।

নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমোনমঃ ॥ ২ ॥

# পাতনি।

—:০:—

সাবিত্রী উপাখ্যানত যি অমানুষিকতা আছে তাক গুজ্যা টান। কোমল মনৰ শিশু সকলৰ কাল্পনিক শক্তি যথেষ্ট কাৰণে তর্ক বা অবিশ্বাসৰ ছাত নপৰিব বুলি আমাৰ বিশ্বাস। এই উপাখ্যানত অলপো সন্দেহ নেৰাখি মূল সাবিত্ৰোপাখ্যান অবলম্বন কৰিবলৈকে যত্ন কৰা হৈছে।

বুদ্ধদেৱৰ জীৱনীত দেখা যায় কঠোৰ তপস্যাৰ ফলত তেওঁ সিদ্ধকাম হৈছিল;—মৃত্যুৰ পৰা সাৰিবলৈ নির্ব্বাণ লাভ কৰিবৰ পন্থা তেওঁ পালে। এই সাবিত্ৰীৰ জীৱনীত যথার্থ গৃহী বা সংসাৰি হৈও যে আমি মূল সত্য লাভ কৰিব পাৰোঁ বা মৃত্যুকো প্রত্যক্ষ ভাবে অতিক্রম কৰিব পাৰি তাৰ উজ্জ্বল দৃষ্টান্ত আমি দেখিছোঁ। কোমল মনত এই ভাব ভবিষ্যতলৈকো জাগৰূক ৰাখিব পাৰিব বুলিয়েই বিশেষকৈ কুমাৰী সকললৈ বুলি এই পুথি লিখা হৈছে। বুদ্ধদেবৰ অমিততেজ, অদমনীয় উৎসাহ ও পৰিশ্রম, অধ্যবসায়ৰ অবতাৰ জীৱনীয়ে কুমাৰ সকলক সহায় কৰিব। সাবিত্রীৰ কোমল কঠোৰ জীৱনীয়ে আমাৰ সমাজৰ কুমাৰী সকলৰ জীবন গঠিত কৰক। আমাৰ সভ্যতাৰে সৈতে

আমাৰ দেশৰ আদৰ্শ জীৱনীহে অনুকৰণ যোগ্য। আমাৰ ভোগতকৈ যোগহে আদৰণীয়, কাজেই সেই চকুৰে চালেহে সাবিত্ৰী জীৱনীৰ মহত্ত্ব উপলব্ধি হব,—আমি যথাৰ্থভাবে চোৱা হব। এনে বিলাক কথা মনত লৈহে আমি Text Book Committeeৰ ফালেও উৎসাহৰ নিমিত্তে এবাৰ সকৰুণ দৃষ্টি ৰাখিব খোজোঁ। স্ত্ৰীপাঠ্য স্ত্ৰী আদৰ্শৰ স্বকীয়া জীৱনী হলেও যথেষ্ট নহবনে? বহুমুখী আদৰ্শ ভাল কেনেকৈ? সাকৰা উপদেশ এটাই বহুত।

বুদ্ধদেব প্ৰনয়নৰ প্ৰায় ৩ তিনি মাহ পিচতে এই পুথি খানি লিখা হৈছিল। কিন্তু দুঃখৰ কথা যে নানা অসুবিধাত পৰি সি এতেদিন ছাপাখানাত পৰি আছিল। ইমান দিনৰ পিচত ই কেনে ভাবে ৰাইজৰ আগত ওলাব আৰু আদৰ অভ্যৰ্থনা পাব কব নোৱাৰো। আদৰ নেপালে যে অভিমানত মুচকচ যাব নিশ্চয় কথা।

তেজপুৰ, পৰ্ব্বতীয়া
১৯২৫ চন।

আশীৰ্ব্বাদভিখাৰী
শ্ৰীমহাদেব শৰ্ম্মা।

## দ্বিতীয় তাঙৰণত কবলগীয়া কথা।

বুদ্ধদেৱৰ দৰে সাবিত্ৰীৰো প্ৰথম সংস্কৰণৰ কিতাপ আজি দুবছৰ হল শেষ হল। আমাৰ অসুবিধাত হে যুৰাই ৰাইজৰ হাতত দিব নোৱাৰি দুঃখিত আৰু লজ্জিত হৈছোঁ। সাবিত্ৰী কিন্তু প্ৰতিযোগিতাৰ ভিতৰত তিষ্ঠিব লগীয়া হৈছে। প্ৰতি-যোগীতাত সাবিত্ৰীৰ ঠাই কত ৰাইজে নিজেই জানে।

এই তাঙৰণত বহুত সালসলনি কৰি আগতকৈও সুখ-পাঠ্য কৰিবলৈ যত্ন কৰা হৈছে। লগে লগে চকুত লগা হবলৈ কেইবাখনিও নতুন ছবি দিয়া হল। ইতি—

মাঘী পূৰ্ণিমা,
১৮৪৬ শক,
বঙ্গাব্দ—১৩৩১

বিনীত
প্ৰকাশক।

# নিবেদন।

সাহিত্যানুৰাগী শ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী, বি, এ, বি, টি।

শিশু সাহিত্য লাগে বুলি আপুনিয়েই প্ৰথমে আমাক উদগাইছিল। তাৰ ফল স্বৰূপে এই সামান্য পুস্তিকা লিখি আপোনাৰ হাততে সপিলোঁ। "আবেগে অথিৰ" কাৰণে মন্ত্ৰহীন বুলি যেন সামান্য পূজা অবহেলা নকৰে এই আশা।

বিনীত

গ্ৰন্থকাৰ।

# সূচী।

—০—

| বিষয় | | | পৃষ্ঠা |
|---|---|---|---|
| ১ম আধ্যা—আগৰ কথা | ... | ... | ১ |
| ২য় আধ্যা—সাবিত্ৰীৰ জন্ম | ... | ... | ৬ |
| ৩য় আধ্যা—বিয়াৰ কুলকুলনি | ... | ... | ১২ |
| ৪র্থ আধ্যা—বিধি পথালি | ... | ... | ২০ |
| ৫ম আধ্যা—বিয়া | ... | ... | ২৬ |
| ৬ষ্ঠ আধ্যা—গৃহিণী সাবিত্ৰী | ... | ... | ৩১ |
| ৭ম আধ্যা—কপালৰ লিখন | ... | ... | ৪০ |
| ৮ম আধ্যা—যম ৰজাৰ বৰ | ... | ... | ৪৫ |
| ৯ম আধ্যা—শেষ কথা | ... | ... | ৫৬ |

JUBILEE LIBRARY



ৰাজসভাত সাবিত্ৰী।

PLEASE HANDLE THE BOOK CAREFULLY

# সাবিত্ৰী।

## প্ৰথম আধ্যা।

### আগৰ কথা।

মদ্ৰনামে বৰ ডাঙ্গৰ এখন দেশ আছিল। অশ্বপতি সেই দেশৰ ৰজা। ৰজাৰ বল-বিক্ৰম, ৰূপ-গুণৰ কথা একেমুখে কৈ অন্ত কৰিব নোৱাৰি। তেওঁ পৃথিবী যেন সহন আছিল, দাতাকৰ্ণ যেন দানী আছিল আৰু বৃহস্পতি যেন পণ্ডিত আছিল। অকল সেয়ে নহয় — তেওঁ দেখিবলৈ আছিল ৰূপৱন্ত আৰু স্বভাৱত আছিল ধীৰ। বৰ পুণ্যৱান্ ৰজা,--যাগ কৰে, যজ্ঞ কৰে, দেৱসেৱা কৰে, অতিথি সেৱা কৰে, নিতে বামুণ আৰু দুখীয়াক ভাত কাপোৰ দান কৰে।

যেনে ৰজা তেনে ৰাজপুৰী। যলৈকে যিপোনে

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

চকু দিবা তাতে চকু ৰব। মণি-মাণিক খটোৱা ঘৰ, ফটিকৰে বন্ধা ঘাট, আকাশ পৰশ কৰা মন্দিৰৰ কলচী, জক্‌মক্‌ কৰে ফুল ফুলি থকা ফুলনি বাৰী।

ৰাজ্যৰো ক'তো অশান্তি নাই, কাৰো একোৰে অভাব নাই। প্ৰজাই প্ৰজাই কাজিয়া পেঁচাল নাই। মন্দিৰে মন্দিৰে ধাৰ্ম্মিক মানুহে মনৰ শান্তিৰে পূজা-সেৱা কৰে, তপোবনত মুনি-ঋষিয়ে মনৰ শান্তিৰে ঈশ্বৰ-চিন্তা কৰে—যেন সত্যযুগ, সোণৰ দেশ, সকলো সুখৰ। প্ৰজা সকলে ৰজাক পিতৃ বুলি মানে, ৰজায়ো প্ৰজাবিলাকক আপোন পো বুলি জানে আৰু সেই দৰে প্ৰতিপাল কৰে।

ৰজাৰ সুখ আছিল সকলো বিষয়তে। কিন্তু কি কথা কব নোৱাৰেঁ! ঈশ্বৰৰ ৰাজ্যত কোনেও কেতিয়াও একেৰাহে সুখ কৰিবলৈ পোৱা নাই,—নাপায়। অশ্বপতি ৰজাৰ কেউপোনে জয়জয় ময়ময় হলেও তেওঁৰ এটি ডাঙ্গৰ অভাব আছিল। অভাবটিও নিচেই উলামূলা নহয়—বিতোপন ৰাজ্যই সেই অভাব পুৰাব নোৱাৰে। ৰজাৰ সোঁ মাজ বয়স

প্ৰায় গ'লহিয়েই তথাপি তেওঁ তেতিয়ালৈকে লৰা-ছোৱালীৰ মুখ দেখা নাই! সন্ততি একো নহলে তেওঁৰ পিচত ৰাজ্য চলাব কোনে? ৰজা-ৰাণীৰতো বেজাৰেই, এনে সুখৰ ৰাজ্যত বাস কৰি প্ৰজাসকলৰ মনো এই একেটি কথাৰ নিমিত্তে কুষাৰি।

ৰাণীয়ে ল'ৰা-ছোৱালী পাবলৈ কত ব্ৰত-উপবাস কৰিলে, কত যাগ-যজ্ঞ কৰালে, কত দান দক্ষিণাও দিলে, কিন্তু একোতে একো নহল—সমূলি গুণ নধৰিলে। কি কৰিবা, সকলো বিধাতা-পুৰুষৰ ইচ্ছা! তোমাৰ আমাৰ মনৰ জোখায় একো নহয়। একো উপায় নেদেখি ৰাণীয়ে সদায় মনৰ বেজাৰত কান্দে!

ৰজাই বঢ়াই বুজাই ৰাণীক কলে "ৰাণি! কান্দি কাটি আৰু কৰিবা কি? বিধতাই নিদিলে কোনে নিজে স্ৰজি আনিব লৰা-ছোৱালী? মই বিধতাক তুষ্ট কৰিবলৈ বনলৈ যাওঁ—তপ কৰোঁগৈ। তুমি ইয়াত থাকি দীন দৰিদ্ৰক দান আৰু আলহী অতিথি আহিলে সুবিধা পুছিবা। অতিথি আৰু দীন দৰিদ্ৰ সাক্ষাৎ নাৰায়ণ। শাস্ত্ৰত কয়:—

"অতিথি দৰিদ্ৰে দান কৰা সৰ্ব্বক্ষণ
ঈশ্বৰে তাহান মুখে কৰয় ভোজন।"

এই বুলি ৰজা অশ্বপতি ৰাজপুৰীৰ পৰা ওলাল আৰু কেদিন মানৰ পিচতে পুষ্কৰ তীৰ্থ পালেগৈ। তেওঁ সাবিত্ৰীদেৱীক আৰাধনা কৰিবলৈ স্থিৰ কৰিলে। ৰজাই ভাবিলে "সাবিত্ৰীদেৱী হৈছে ব্ৰহ্মাৰ ঘৈণী। ব্ৰহ্মাই স্ৰজন কৰে সকলোকে। মই যদি তপস্যাত সাবিত্ৰীদেৱীক তুষ্ট কৰিব পাৰোঁ তেন্তে ব্ৰহ্মাই সেই দেৱীৰ কথামতে মোক নিশ্চয় মৰম কৰিব।" ইয়াকে ভাবি স্থিৰ কৰি ৰজাই কঠোৰ তপস্যা আৰম্ভ কৰিলে। নিতে পুৱাৰ পৰা লক্ষ-হোম দি বেলি বহোঁতে বহোঁতে কিবা অলপমান খায়। এইদৰে তপ কিমানদিন কৰিছিল কব পাৰানে? এদিন নহয়, দুদিন নহয়, এবছৰ দুবছৰো নহয়, একেৰাহে ওঠৰ বছৰ। এই ওঠৰ বছৰ নিয়মমতে তপস্যা কৰাৰ পিচত সাবিত্ৰীদেৱী তুষ্টা হৈ ৰজাক বৰ দিবলৈ আহিল।

সেই দিনা ৰজাই হোমত পূৰ্ণাহুতি ঢালিছে

এনেতে সেই জুইৰ ভিতৰৰ পৰা সাবিত্ৰীদেৱীয়ে দেখা দিলে। আহা, সাবিত্ৰীদেৱীৰ যিহে ৰূপ, চাবা কি? জুইৰ তেজো তেওঁৰ তেজৰ আগত এঙ্গাৰ! অথচ তেওঁ দেখাত ভয় লগা নহয়, মৰম বেথা লগাহে! দেৱী উঠিয়েই ৰজাক কলে "ৰজা, তোমাৰ তপস্যাত মই বৰ সন্তুষ্ট হৈছোঁ। তোমাক কি বৰ লাগে লোঁৱা।" ৰজাই কলে "দেৱি, আপুনি জানেই মই কিয় তপস্যা কৰিছোঁ। অপুত্ৰকা জীৱন মিছা। এতেকে যদি কৃপা কৰে তেন্তে এই বৰ দিয়ক যাতে ৰূপে গুণে তমস্কাৰ মোৰ এশটি ল'ৰা ওপজে।"

ৰজাৰ কথা শুনি সাবিত্ৰীদেৱীয়ে কলে, "অশ্বপতি, তোমাৰ এই অভিপ্ৰায় মই পূৰ্ব্বেই জানি, ব্ৰহ্মাক কোৱাত তেখেতে কৈছিল যে ৰজাৰ এটি ৰূপৱতী কন্যা হব। ব্ৰহ্মাৰ সেই বাক্য কেতিয়াও লঙ্ঘন নাযায়। এতেকে বাছা, তুমি সেই বৰতে সন্তুষ্ট হৈ ৰাজ্যলৈ যোৱাগৈ, তোমাৰ মঙ্গল হব।" এই বুলি দেৱী ততালিকে তাৰপৰা অন্তৰ্দ্ধান হ'ল। আনন্দমনে ৰজা ৰাজ্যলৈ ঘুৰি আহিল।

## দ্বিতীয় আধ্যা।

—০—

### সাবিত্ৰীৰ জন্ম।

আজি মদ্ৰৰাজ্যত সকলোৰে মনত আনন্দ। ওঠৰ বছৰৰ মুৰত অশ্বপতি হেন ৰজাক সিবি-লাকে ঘূৰি পাইছে ; তাতে আকৌ বৰ পাই আহিছে,—ৰজাৰ সন্তান হব। ৰাজ্যৰ বুঢ়া-মেথা সকলে কিন্তু কবলৈ ধৰিলে "বিধি যদি তুষ্টই হ'ল তেন্তেনো একেবাৰে লৰা এটি হবৰ বৰ নিদিলে কিয় ? যিহকে পায় তাতে তুষ্ট হোৱা বামুণ সকলে দুই হাত তুলি ৰজাক আশীৰ্ব্বাদ কৰি গলহি "সেই কন্যাই তোমাৰ কুল পোহৰাব।"

সময়ত ৰাণীৰ গৰ্ভ হল। চাওঁতে চাওঁতে এমাহ দুমাহকৈ দহমাহত ভৰি দিলে। সুদিনত সুক্ষণত ৰাণীয়ে দিপ্‌লিপ্‌ কৰে কন্যা এটি পালে! যিহে ছোৱালীৰ ৰূপ! দেখিলে ভোক-পিয়াহ হৰে, এন্ধাৰ

ঘৰো পোহৰ কৰে। সঁচাকৈয়ে ছোৱালী উপজি মাটিত পৰোঁতেই গোটেই ঘৰ পোহৰত উপচি পৰিছিল!

তুৰন্তে গোটেই ৰাজ্যত খবৰ ওলাল—ৰাণীয়ে ছোৱালী এটি পাইছে। যেই শুনিলে ৰাজ্যৰ গোটেই বুঢ়ী-মেথী, জীয়াৰী-বোৱাৰী উবুৰি খাই ছোৱালী চাবলৈ আহিল। সকলোৰে মনত আনন্দে নধৰা হল—যেনি কাণ দিবা শুনিবা মুঠেই উৰুলি! মানুহবিলাকো হল উৰুলিকৃত—মনৰ সুখত!

আতুৰ ঘৰত ছোৱালী চাই সকলোৱে একমুখে কলে "মানুহৰ এনে ৰূপ নহয়। এওঁ কোনোবা দেৱীহে তপস্যাত তুষ্ট হৈ জনম লৈছেহি। এনে ধেনু ভিৰিয়া চকু আৰু ভুৰু, এনে সোণ হেন বৰণ, এনে চুচিকটা মুখ মানুহৰ হব নোৱাৰে।"

সদায় পৰৰ হিত চিন্তা কৰা বামুণসকল ৰজাৰ ছোৱালী হোৱাৰ খবৰ পাই শঙ্খ বজাই ৰজাৰ ওচৰলৈ আহিল আৰু ছোৱালীক আশীৰ্ব্বাদ দি কৈ গ'ল সাবিত্ৰীদেৱীৰ বৰত ছোৱালী পাইছে কাৰণে ছোৱালীৰ নামো সাবিত্ৰী থাওক। ৰজাই বামুণ

সকলক ভক্তি ভাৱে সেৱা সৎকাৰ কৰি দান দক্ষিণা দি বিদায় দিলে।

শুক্লপক্ষৰ জোন বঢ়াদি সাবিত্ৰী দিনক দিনে বাঢ়ি আহিবলৈ ধৰিলে। আগেয়ে সাবিত্ৰী আছিল যেনিবা এটি কলি পদুম ফুল। এতিয়া তেওঁ ক্ৰমে বয়সৰ লগে লগে আধাফুলা ফুলটি হেন হৈ পৰিল। গাৰ বৰণ যেন জোনৰ জোনাক, মূৰৰ চুলি যেন পানীৰ ঢেউৰহে খেলা!--সুন্দৰ কেকোঁৰা কেকোঁৰি।

সাবিত্ৰীনে সাবিত্ৰী। ৰূপতকৈও তেওঁৰ গুণ বেছি উজ্জ্বল! সৰুকালৰে পৰা সাবিত্ৰী বৰ বুদ্ধিমতী আছিল। লগৰ লগৰীহঁতক তেওঁ বৰ মৰম কৰিছিল। দেৱ গুৰুত তেওঁৰ অচলা ভক্তি আৰু মাক বাপেকলৈ বৰ শ্ৰদ্ধা আছিল। ব্ৰত নিয়ম পালন আৰু নিতে গা ধুই উঠি ফুল আনি দেৱতাক পূজা কৰিছিল। সবাতকৈ ডাঙৰ গুণ আছিল সাবিত্ৰীৰ এয়ে যে ডিঙ্গি কটা গলেও তেওঁ মিছা নামাতিছিল। এই বাবে সাবিত্ৰীক সকলোৱে আদৰ যত্ন কৰিছিল।

ছোৱালী বয়স এৰি সাবিত্ৰীৰ গাভৰু, ডেকা বয়সত

ভৰি পৰিল। আধাফুলা পদুম গুছি এতিয়া তেওঁ গোটেই ফুলি উঠিল। যেয়ে সেয়ে এলাপেচাকৈ সাবিত্ৰীৰ ফাললৈ চাব নোৱাৰে। চালেও চকুৰে জলকুতবকু হে দেখে, এনে তেওঁৰ ৰূপৰ জেউতি!

সঁচাকৈয়ে সকলোবে অতিমাত্ৰা বেয়া। ভাতো অতি চাবকৈ খালে অসুখ কৰে অথচ সেই ভাতেইহে প্ৰাণ ৰাখে মানুহৰ! মানুহৰ ৰূপতো সেই কথা খাটে। ধুনীয়া হওক তাত কোনো কথা নাই। কিন্তু অতি ধুনীয়া হলে মানুহে তাৰ ব্যৱহাৰৰ কথা ভু নাপায়। সাবিত্ৰী অতি ধুনীয়া আছিল কাৰণে মানুহে কোনোবা দেৱী বুলি তেওঁক ভক্তিহে কৰিছিল বিয়া কৰাবৰ কথা কোনেও ভাবিবই নোৱাৰিছিল।

সাবিত্ৰীৰ বয়স যেতিয়া পোন্ধৰ বছৰ তেতিয়া ৰজাই দেশে বিদেশে দূত পঠালে, ভাট পঠালে দৰা বিচাৰি। ভাটৰ মুখে সম্বাদ শুনি নানাদেশৰ পৰা ৰাজকোঁৱৰ সকল হীৰা-মাণিক খটোৱা কাপোৰ আৰু সোণ খটোৱা জোতা পিন্ধি আহি সাবিত্ৰীৰ ৰূপ দেখি

তবধ লাগিল। কাৰো বিয়া কৰাবৰ সাহ নজন্মিল —যেনে আহিল তেনে গুছি যাবলৈ ধৰিলে।

এইদৰে ইজনৰ পিচত সিজন কৈ ৰাজ-কোঁৱৰ সকল আহি উলটি যাবৰ দেখি ৰজাৰ মনত দিন-ৰাতি চিন্তা—সাবিত্ৰীক তেওঁ কত বিয়া দিব? কোনেও দেখোন সাবিত্ৰীক বিয়া কৰাবলৈ সাহকে নকৰে? ৰজা বিমোৰত পৰা দেখি ভক্তিমতী সাবিত্ৰীৰ মনতো চিন্তা—কেনেকৈ পিতাৰকৰ চিন্তা আঁতৰ হয়। এতিয়া সাবিত্ৰীয়ে সকলো বুজে; তেওঁ পিতাৰকৰ দুখ বুজিলে।

সেইদিনা কিবা এটা পৰ্ব্বৰ দিন আছিল। সাবিত্ৰীয়ে পুৱাতে গা ধুই সেই দিনাও দেৱতাৰ পূজা কৰিলে আৰু অগ্নিত হোম দিলে। হোমৰ শেষ ভাগটো লৈ তেওঁ পিতাকৰ ওচৰত ঠিয় দি ৰল। ৰজাই সাবিত্ৰীৰ মুখৰ ফালে এবাৰ চালে আৰু হোমৰ শেষ ভাগ গ্ৰহণ কৰিলে। ৰজাৰ মনলৈ নানান গুণনি আহিল, "হায়, মই কি নিন্দাৰ কাম কৰিছোঁ; এতিয়াও সাবিত্ৰীক বিয়া দিব নোৱাৰিলোঁ।" ইয়াকে ভাবি

তেওঁ আন উপায় নেদেখি সাবিত্ৰীক কলে "সাবিত্ৰি, তোমাক বিয়া দিবৰ কাল পাৰ হৈ গ'ল অথচ মই তোমাক এঠাইত গতাব নোৱাৰিলোঁ। এতিয়া মই অনুমতি কৰিছোঁ তুমি যোৱাঁ নিজে মনোমত স্বামী বৰণ কৰাগৈ। যাকে তুমি বৰিবা তেওঁৰ আঁতিগুৰি লৈ আহি আমাক কবা আমি বিবেচনা কৰি বিয়া দিম। শাস্ত্ৰত আছে যি পিতাই যথাসময়ত কন্যাদান কৰিব নোৱাৰে তেওঁ নিন্দনীয় হয়। মই যাতে নিন্দনীয় হব লগা নহয় এনে ভাবে কাম কৰাগৈ।"

পিতাৰকৰ মুখৰ কথা শুনি সাবিত্ৰীয়ে লাজতে তলমূৰ কৰিলে। মনে মনে পিতৃ-আজ্ঞা সাৱোগত কৰি ললে। পিচত সখীয়েক এগৰাকী পঠাই ৰজাক নিজৰ সম্মতি জনালে। ৰজাই সম্মতি পাই সোণৰ ৰথ সজালে, লগত বুঢ়া মন্ত্ৰী আৰু লগৰী সখীয়েকহঁতক দিলে। সাবিত্ৰী ৰথত উঠিল। চাওঁতে চাওঁতে ৰথ নগৰৰ বাহিৰ হৈ নেদেখা হ'ল।

—•—

## তৃতীয় আধ্যা।

—:০:—

বিয়াৰ কুলকুলনি।

সাবিত্ৰীয়ে বহুত দেশ ঘূৰিলে, কত কি দেখিলে শিকিলে, লগে লগে তীৰ্থও কৰিলে। কম দিন তেওঁ প্ৰবাসত ঘূৰা নাই—পোনে ছমাহ। এই ছমাহ ঘূৰিও তেওঁ মনৰ জোখায় স্বামী পোৱা নাই। দেশ ঘূৰিলে নগৰ চালে কতো তেঁও স্বামী নাপালে। অৱশেষত তেওঁ ঋষি সকলৰ আশ্ৰমত সোমাল।

যিখন আশ্ৰমত তেওঁ পোনতে সোমাল তাত ভৰদ্বাজ, মাৰ্কণ্ডেয়কে আদি কৰি বহুত ডাঙ্গৰ ডাঙ্গৰ ঋষিসকল বাস কৰে। ঋষি থকা তপোবন যেনে হে সুন্দৰ। তাত থাকিলে মনৰ সকলো দুখ-ভাগৰ আঁতৰে; তাকনো চাবা কি? যেনি চকু দিবা তেনি চকু বৈ যায়। তাত গছত ফুলা ফুলকে চাবা নে তেজে ফুটি যাওঁ ফুটি যাওঁ ঋষি মুনি সকলৰ লৰা-ছোৱালীকে চাবা? বনৰ হৰিণা

হৰিণীকে চাবা নে মৰা চৰাইয়ে পেখম ধৰাকে চাবা! তাৰ ফুলৰ স্থগন্ধকে লবা নে হোমৰ স্থগন্ধকে লবা! চৰাই চিৰিকতিয়ে গীত গাই ফুৰাকে শুনিবা নে ঋষি-মুনি সকলৰ বেদ-গান গোৱাকে শুনিবা! এই ছমাহ ঘূৰি সাবিত্ৰীয়ে এতিয়া তেওঁৰ মনৰ জোখায় ঠাই এখনকে পাইছে আৰু মনৰ আনন্দত লগত এগৰাকী মাত্ৰ সখীয়েকক লৈ ইখন আশ্ৰম সিখন আশ্ৰম ঘুৰি ফুৰিছে। মনৰ জোখায় ঠাই পাইছে পাওক কিন্তু আচল যি কথাত আহিছিল তাৰ এতিয়ালৈকেনো কি দিহা হ'ল?

অ'! সোচোন সাবিত্ৰী গৈ থাকি থাকি হঠাতে থমকা খাই ৰ'ল? তেওঁ একেথৰে কি চাই আছে? ক'তা একো দেখা নাপায় নে? উৱা, তেওঁচোন চকু নপচৰাকৈ একেৰাহে কিবা চাইহে আছে। তেওঁ দেখোন সখীয়েকৰ লগতো কথা পতা নাই! তেওঁ কৰিছে কি?

অলপ পৰ বোৱাৰ পিচত সাবিত্ৰীয়ে আকৌ খোজ লোৱা দেখি সখীয়েকে সুধিলে "সখি, অকস্মাৎ

তোমাৰ এইখন কি হৈছিল ? মোক নেভাৰি, পেটৰ কথা খুলি কোৱাচোন।" সাবিত্ৰীয়ে কলে "সখি মোৰ একো হোৱা নাছিল। কিন্তু সেই গছ জোপাৰ তলৰ সেই শিলটোৰ ওপৰত সেই জন সুন্দৰ পুৰুষ বহি থকা দেখিছানে ? তেওঁ এই কোমল বয়সতে তপস্বীৰ বেশ লৈছে। তেওঁক দেখি মোৰ মনটো কেনেবা লাগিছে।" সখীয়েকে দেখিলে সঁচাকৈয়ে সেই পুৰুষজনৰ ৰূপ অতি মনোহৰ। তেখেতেও একেৰাহে এই ফাললৈকে চাই আছে। পেটে পেটে সখীয়েকে বুজিলে এইবাৰ ঠিক বৰ ধৰা পৰিছে।

সাবিত্ৰীয়ে কলে "সখি, যদিও তেওঁক তপস্বীৰ বেশ পিন্ধা দেখিছা, মোৰ কিন্তু মনে কৈছে এওঁ কোনোবা ৰজাৰ কোৱঁৰহে হব। যেই কি নহওক, এতিয়া মোৰ বিচাৰ কৰিবৰ সময় নাই। মই তোমাক সাক্ষী কৰি কৈছোঁ মনে মনে এওঁকেই মোৰ স্বামী ৰূপে বৰণ কৰিলোঁ আৰু মোৰ মন-প্ৰাণ এওঁৰে চৰণত অৰ্পি দিলোঁ।

সাবিত্ৰীৰ কথা শুনি সখীয়েকে ভাবিলে "সখীয়ে

আগপিচ নুগুনাকৈ কামটো কৰিলে! ক'ৰ জটা-বাকলী পিন্ধা বাটৰ তপস্বী এজনক স্বামী-বৰণ কৰিলে। সখীয়ে এওঁক বিয়া কৰাই কেতিয়াও সুখী হব নোৱাৰিব। এতেকে পাৰোঁ যদি এওঁৰ মনটো ঘূৰাওঁ!" ইয়াকে ভাবি মুখ ফুটাই তেওঁ কলে "সখি, তুমি যদিও নেভাবি-নিচিন্তি তপস্বীক বৰণ কৰিলা কিন্তু মোৰ মনে হলে ভাল নুবুলিলে। তুমি হলা ৰজাৰ জীয়াৰী আৰু এওঁ হল দীন-দৰিদ্ৰ। তোমাৰ গলত সোণৰ সাতসৰি হাৰ আৰু তেওঁৰ গলত ৰুদ্ৰাক্ষৰ মলা, তোমাৰ মুৰত নেঘেৰি খোপা আৰু তেওঁৰ মুৰত জটা! তোমাৰ গাত চন্দনৰ গোন্ধ আৰু তেওঁৰ গাত ভস্ম ধূলি! এনেকুৱাত নো কেনেকৈ বিয়াৰ সমন্ধ ঘটে? এতেকে তুমি এইজনক এৰি আন এজনত চকু দিয়া হে ভাল।"

সখীয়েকৰ কথা শুনি সাবিত্ৰী প্ৰথমে আচৰিত হ'ল, কিবা কবলৈ ধৰিছিল কিন্তু একো কব নোৱাৰিলে! হুক্ হুক্ কৰে কান্দি পেলালে মাত্ৰ। শেহত তেওঁ কলে "সখি, তুমি মোক এনে নিদাৰুণ

কথা নকবা। এবাৰ মন-প্ৰাণ এজনক অৰ্পণ কৰি কেনেকৈ আৰু কোন সতে আকৌ তাৰ পৰা ঘূৰাই আনিম? যদিহে কিবা বিধি পথালি দিয়ে মই ঘৰলৈকে উলটি নেযাম।”

সখীয়েকে দেখিলে যে সাবিত্ৰীৰ মন কোনো মতে ঘূৰাব নোৱাৰি। তেওঁৰ বাক্য সদায় সঁচা আৰু যি মন কৰিছে সিও সচাঁ—তাৰ লৰচৰ হব নোৱাৰে। সেই কাৰণে কলে “সখি, তেন্তে তুমি খন্তেক ইয়াতে থাকা মই তেওঁৰ আঁতিগুৰি লৈ আহোঁগৈ।” ইয়াকে কৈ তেওঁ লাহে লাহে সেই তপস্বীৰ কাষ চাপিলগৈ আৰু ইষাৰ-সিষাৰ কথাৰ পিচত তেওঁৰ পৰিচয় বিচাৰিলে।

তপস্বীজনে কলে “মই দ্যুমৎসেন ৰজাৰ পুতেক,—মোৰ নাম সত্যবান। দৈৱদোষত পিতাৰ দুই চকু কণা হয়! এই ছিদ্ৰফেৰি পায়েই চল চান্দি ফুৰা আমাৰ বংশৰ মানুহে তেওঁক খিয়াল কৰি ৰাজ্যৰ পৰা খেদাই দি ৰজা হৈছে। ৰাজ্য হেৰুৱাই পিতাৰ মনত দুঃখ লাগিল আৰু সেই দুখতে

পিতা আৰু আই বনলৈ আহি এই তপোবনতে আছে।ময়ো সিবিলাকৰ সেৱা-শুশ্ৰূষাৰ নিমিত্তে ইয়াতে আছোঁ। পিচে, আপোনালোকনো কোন জানিব পাৰোনে ?

সখীয়েকে মাত লগালে মোৰ সখী সৌ লতা জোপটোৰ ওচৰতে আছে। তেঁৱেঁই আপোনাৰ পৰিচয় লবলৈ মোক পঠায়ছিল। তেওঁক মই সকলো কথা কৈ তেওঁৰে সৈতে আকৌ এতিয়াই আপোনাৰ ওচৰলৈ ঘূৰি আহিম। এই বুলি তেওঁ সখীয়েক সাবিত্ৰীৰ ওচৰ পালেহি।

সখীয়েকৰ মুখে তপস্বীৰ কথা শুনি সাবিত্ৰীৰ আনন্দে নধৰা হল। সখীয়েকে কলে, "সখি, বলা এবাৰ তেওঁৰ ওচৰলৈ যাওঁ। তেওঁ আমাৰ পৰিচয় বিচাৰিছিল।" সাবিত্ৰীয়ে কলে "যোৱা দেও, তুমি মোৰে সৈতে ধেমালি নকৰিবা। মই নেযাওঁ।" সাবিত্ৰীৰ এই মুখৰ লাজ সৰহ পৰ নৰজিল। কথায় কথায় সখীয়েকৰ ওচৰত হাৰ মানি তেওঁ যাবলৈ মান্তি হল। যাবলৈ মান্তি হল সঁচা, কিন্তু যায় কেনেকৈ ? লাজে

পোনেই আবৰি ধৰিলে। লাজে ধৰিলেই বা চলিব কেনেকৈ ? তেওঁৰে চৰণত যে পূৰ্ব্বে মন প্ৰাণ অৰ্পি দিছে ।

কাজেই দশদেৱতাৰ নাম স্বৰঁৰি সাবিত্ৰী সখীয়েকৰ লগত সত্যবানৰ ওচৰলৈ লাহে লাহে গ'ল আৰু লাজুকী ভাবে এদতীয়া হৈ তলমুৰ কৰি ঠিয় হৈ থাকিল। সাবিত্ৰীয়ে লুকাই চুৰকৈ যি এবাৰ সত্যবানৰ ফালে চাইছিল সিও সত্যবানৰ চকুৱে চকুৱে পৰি ধৰা পৰিল। এনেতে সখীয়েকে মাত লগালে। "মদ্ৰদেশ অধিপতি মহাৰাজ অশ্বপতিৰ নাম বোধ কৰোঁ আপুনি শুনিছে। এওঁ তেখেতৰে কন্যা। নাম সাবিত্ৰী। আমি তপোবন চাবলৈ আহিছিলোঁ। অহাটো নিচেই সুদাহাত হোৱা নাই। এতিয়া আমাক বিদায় দিলেই যাব পাৰোঁ।" এইবুলি তেওঁ সত্যবানক এটি সেৱা কৰিলে। দেখাক দেখি সাবিত্ৰীয়েও লাহেকৈ সেৱা এটি কৰি থলে।

সাবিত্ৰীৰ ৰূপ দেখি সত্যবান তন্ময়। এনেৰূপ মানুহৰ হয়নে ? সিবিলাক যাবলৈ ওলোৱা দেখি

মনে মনে বেজাৰ পাই কলে "তোমালোক আজি মোৰ আলহি; খন্তেক বহঁাহক, মই গছৰ ফল আৰু নৈৰ পানী আনি দিওঁ। তাকে খাই—বই যাবাহঁক।"

এই কথা শুনি সখীয়েকে মাত লগালে "আপোনাৰ কথাতে আমি বৰ সন্তোষ পাইছোঁ। আমাৰ নিমিত্তে আপুনি আৰু একো কষ্ট কৰিব নালাগে। আমাক বিদায় দিয়ক। যদি ঈশ্বৰে দয়া কৰে আমি বেগতে আকৌ ঘুৰি আপোনাৰ আশ্ৰমত দীঘলীয়াকৈ আলহী ৰমহি।" এই বুলি সত্যবানৰ পৰা বিদায় লৈ দুয়ো খোজ ললে। সত্যবানে দেখেমানলৈকে দুয়োকে একেথৰে চাই আছিল। নেদেখা হওঁতেই হুমনিয়াহ এটা পেলাই আশ্ৰমলৈ আহিল। ইতিমধ্যে দুয়োৰে মন দুয়োৰে ভিতৰত সোমাই ৰল।



PLEASE HANDLE THE BOOK CAREFULLY!



# চতুৰ্থ আধ্যা।

## বিধি পথালি।

নগৰৰ পৰা প্ৰংমে ওলাই যোৱা সাবিত্ৰী আৰু এই ছমাহৰ মূৰত বহু দেশ, নগৰ, তীৰ্থ, তপোবন ঘূৰি অহা সাবিত্ৰী একে ভাবতে আছেনে। যাবৰ সময়ত সাবিত্ৰী আছিল উদাসিনী, এতিয়াও তেনেই আছেনে? এতিয়া তেওঁৰ মন থিৰ, গতিও থিৰ। তেওঁ এজনক স্বামী পাই আহিছে নহয়। তেওঁৰ মনত আনন্দ যে পিতাকৰ মনৰ চিন্তা এতিয়া আৰু আতৰ হব।

এই আনন্দতে তেওঁ ৰাজপুৰীত সোমাই পোন প্ৰথমে ৰজাৰ ওচৰলৈ গল। ৰজা তেতিয়া ৰাজসভাত আছিল। সাবিত্ৰীও তালৈকে গল, গৈ দেখে যে তাত স্বৰগৰ ঋষি নাৰদ বহি আছে। সাবিত্ৰীয়ে পোনে নাৰদক সেৱা কৰি পিচত পিতাকক সেৱা কৰিলে আৰু

ওচৰতে ঠিয় দি ৰল। নাৰদে সুধিলে "মহাৰাজ আপোনাৰ এই ছোৱালীটি কৰ পৰা আহিল, গৈছিলেই বা কলৈ? এওঁৰচোন বিয়াৰ বয়সো হল, কিয় চাই চিন্তি এঠাইত বিয়া দিয়া নাই?"

ৰজা অশ্বপতিয়ে কলে "দেবৰ্ষি বহুত যত্ন কৰি কতো ভাল পাত্ৰ থিৰ কৰিব নোৱাৰি শেহত সাবিত্ৰীক নিজৰ ইচ্ছামতে স্বামী বৰিবলৈ অনুমতি দি পঠাই-ছিলোঁ। এতিয়া সেই সাবিত্ৰী চ-মাহৰ মূৰত ঘূৰি আহিছে। আপুনিয়েই দয়া কৰি সোধকচোন কাক বৰি আহিছে। তাৰ পিচত সাবিত্ৰীৰ ফালে চাই কলে "সাবিত্ৰী, কাক, তুমি স্বামী বৰিবলৈ থিৰ কৰি আহিছা সবিশেষ কোঁৱা।"

সাবিত্ৰীয়ে পিতাকৰ বাক্য দেৱতাৰ বাক্য বুলি মানে আৰু সেইগুণে পিতাকৰ কথা শুনা মাত্ৰে উত্তৰ কৰিলে "পিতা, শাল্ব দেশৰ অধিপতি দ্যুমৎসেন ৰজাৰ পুতেক সত্যবানকে মই স্বামীৰূপে বৰণ কৰি আহিছোঁ। সত্যবান্ নগৰত উপজি তপোবনত ডাঙৰ দীঘল হৈছে। তেওঁক তেজস্বী পুৰুষ দেখি বৰণ কৰিলোঁ।।"

সাবিত্ৰীৰ কথা শুনি নাৰদে মাত লগালে "মহাৰাজ, সাবিত্ৰীয়ে নেজানি নুশুনি গুণবান্ হলেও সত্যবানক স্বামীৰূপে বৰি বৰ ভাল কাম কৰা নাই। তেওঁৰ মাক বাপেকে সদায় সঁচা কথা কয় কাৰণে বামুন সকলে সিবিলাকৰ পুতেকৰ নাম ৰাখিলে সত্যবান্। সত্যবান্ বুদ্ধিমান্ আৰু সজ স্বভাৱৰ লৰা, তাৰ ওপৰত মাক বাপেকৰ প্ৰতি বিশেষ ভক্ত। সত্যবান্ বলী আৰু নীৰোগী আৰু কেচা সোণৰ বৰণেৰে গাৰ বৰণ। একে কথাৰে কবলৈ গলে সত্যবান্ অদ্বিতীয় ৰূপবান্ আৰু গুণবান্। তথাপি মোৰ মনটো গোন্ধাইছে সাবিত্ৰীয়ে তেনে কাম কৰিব নেলাগিছিল।

ৰজাই দেবৰ্ষি নাৰদৰ কথা শুনি আচৰিত মানি সুধিলে "ঋষিৰাজ, আপুনি কি কৈছে আমি হলে একো গম কৰিব পৰা নাই। এনে ৰূপে গুণে চমৎকাৰ লৰা বৰি সাবিত্ৰীয়ে চোন বৰ ভাল কাম কৰা যেনহে আমি পাওঁ। আপুনিনো ইয়াত কি দোষ দেখিলে। মানুহ হলে অলপ নহয় অলপ দোষ থাকে। সত্যবানৰ যদি কিবা দোষ থাকে মোক কৈ চিন্তা দূৰ কৰক।"

সচাঁ হলেও যিটো কথা কলে মানুহে বেয়া পায় তেনে কথা কোৱাটো টান। তথাপি পৰৰ হিতকাৰী নাৰদে কলে "মহাৰাজ, সত্যবানৰ হেজাৰ গুণো একেটি মাত্র দোষেই নষ্ট কৰিছে। দোষ আন একো নহয়। বিয়াৰ দিনৰ পৰা এবছৰৰ অন্তত সত্যবান্ মৰিব লাগে। এই কাৰণেই কৈছিলোঁ, সাবিত্রীয়ে সত্যবানক বৰি বৰ ভাল কাম কৰা নাই।

নাৰদৰ মুখৰ পৰা এনে নিদাৰুণ কথা শুনি কাৰ মনত বেজাৰ নেলাগিব। বিশেষকৈ সাবিত্রীৰ অৱস্থা এতিয়া কেনে হৈছে মন কৰিছানে? দেহি ঐ তেওঁৰ মুখখনি শুকাই গৈছে, চকুজুৰি ধুলধুলীয়া পৰিছে, গাটো যেন কঁপিছে। সাবিত্রীয়ে ভালকৈ জানে যে দেবর্ষি নাৰদৰ কথা কেতিয়াও মিছা হব নোৱাৰে। এই কথা জানিও নো তেওঁ থিৰেৰে থাকে কেনেকৈ? তথাপি সাবিত্রী তেনে চলোপাতি ছোৱালী নহয়। ইমানতো তেওঁৰ মন লৰচৰ নহল। তেওঁ মনে মনে থিৰ কৰিলে "সত্যবানৰ বাহিৰে মোৰ আৰু কোনো স্বামী হব নোৱাৰে।

নাৰদৰ কথা শুনি ৰজা অশ্বপতিৰ মুখত পানী নোহোৱা হল। তেওঁ কলে "সাবিত্ৰি, তুমি দেবর্ষি নাৰদৰ কথা শুনিলা। এখেত আমাৰ সদায় হিতাকাঙ্ক্ষী। এখেতৰ যেতিয়া মত তুমি আন এজনক স্বামীৰূপে বৰিব লাগে। মোৰ কথা তুমি ৰাখা। জানি শুনি কোনে খালত পৰিবৰ মন কৰে। সাবিত্ৰীয়ে এই কথাৰ কোনো উত্তৰ দিব নোৱাৰিলে। তললৈ মুখ কৰি মনে মনে চকুলোহে টুকিবলৈ ধৰিলে। ৰজাই কত কথা কৈ, কত উপদেশ দি, সত্যবানৰ পৰা সাবিত্ৰীৰ মন ভাঙ্গিব খুজিলে তাৰ সীমা সংখ্যা নাই। তথাপি সেইবোৰ কথা সাবিত্ৰীৰ মনে নসলে। বিৰকতি ভাবত গাল দুখনি ৰঙা হৈ পৰিল। তেওঁ গহীন ভাবে মাত লগালে "পিতা, দান দি বস্তু আকৌ ঘূৰাই লব পাৰিনে? ললে দত্তাপহাৰী হব নেলাগিবনে? মই মনে মনে এজনক মনপ্ৰাণ অৰ্পণ কৰিলোঁ। এতিয়া কোন নিয়মেনো মই তাক ঘূৰাই আনি আন এজনক দিম? সেই কাৰণে যাক এবাৰ স্বামী বুলি বৰিছোঁ তেওঁ অল্পায়ুয়েই হওক বা দীৰ্ঘায়ুয়েই হওক গুণবান্

হওক বা নহওকেই, তেওঁৰ বাহিৰে মোৰ আন কোনো গতি নাই।”

সাবিত্ৰীৰ কথা শুনি, ভাব বুজি ৰজাই আৰু একো কব নোৱাৰিলে। সভাসদ সকলো স্তব্ধ হল, জঁয় পৰিল। তেতিয়া দেবৰ্ষি নাৰদে আনন্দ মনে সাবিত্ৰীৰ মুখলৈ চাই কলে “সাবিত্ৰী, তুমিযেই তিৰোতা জাতীৰ ভিতৰত ধন্যা! তোমাৰ ইমান টান মন আৰু সতীত্ব ধৰ্ম্মলৈ অচলা ভক্তি দেখি বৰ সন্তোষ পাইছোঁ। আশীৰ্ব্বাদ কৰোঁ তোমাৰ পৰা যেন জগতত সতীত্ব ধৰ্ম্মৰ মহিমা বিয়পি পৰক, দুগুণে চৰক।”

এইদৰে কৈয়েই দুই হাত তুলি ঋষিয়ে আশীৰ্ব্বাদ কৰিলে আৰু হাতৰ বীণখনি বজাই বজাই স্বৰ্গলৈ গুচি গল। যাবৰ সময়ত কৈ গল “মহাৰাজ, সাবিত্ৰীক অতিসোনকালে সত্যবানৰে সৈতে বিয়া দিয়ক। ঈশ্বৰে মঙ্গল কৰিব।”

## পঞ্চম আধ্যা।

### বিয়া।

আগৰ কালত ঋষিৰ আদেশ সকলোৰে শিৰোধাৰ্য্য, তাতে আজি অশ্বপতিক আদেশ দিছে এজন দেবৰ্ষিয়ে। কাজেই ৰজাই বিয়াৰ যো-যা কৰিবলৈ পলম নকৰিলে। আয়োজনো বৰ ডাঙৰ ৰকমৰ কৰা নাই যদিওবা ৰজাৰ সেয়ে একেটি ছোৱালী। কিয়নো ছোৱালী বিয়া দিবগৈ লাগিব তপোবনত। তাত বেছি ধূমধাম কৰি ঋষি মুনি সকলক আমনি কৰা বিধি নহয়।

ৰজা সাবিত্ৰীক বিয়া দিবলৈ যাত্ৰা কৰি ওলাল। লগত সৰহ মানুহ দুনুহ লোৱা নাই। লগত মুঠেই নিজৰ পুৰোহিত জন, বুঢ়া মন্ত্ৰী, নিজৰ বংশ জ্ঞাতিৰ ভিতৰৰ ২।৪ জন আৰু সাবিত্ৰীতো আছেই। ৰাণীয়ে

সাবিত্ৰীক সাজ পাৰ পিন্ধাই কপালত ফোঁট দি আশীৰ্ব্বাদ কৰি উলিয়াই দিলে। বিদায় দিওঁতে ৰাণীৰ চকুলো দেখা গ'ল। আনে গমিব নোৱাৰাকৈ তেওঁ তাক মচি পেলালে। আৰু হাতত ধৰি সাবিত্ৰীক ৰথত তুলি দিলেগৈ।

ঘৰ ঘৰ কৰে ৰথ যাবলৈ ধৰিলে। সন্ধিয়া নৌ লাগোঁতেই, গৰু গাই চাপ নৌ খাওঁতেই ৰথ গৈ ৰাজৰ্ষি দ্যুমৎসেনৰ তপোবনৰ ওচৰ পালে। অশ্বপতি ৰজাই ৰথ তপোবনৰ বাহিৰতে থলে আৰু লগত মুঠেই বুড়া মন্ত্ৰীক লৈ দ্যুমৎসেনক বিচাৰি গল। দ্যুমৎসেন তেতিয়া এজোপা গছৰ তলত অকলে কিবা চিন্তা কৰি বহি আছিল।

ৰজা অশ্বপতি অহা শুনি দ্যুমৎসেন প্ৰথমে আচৰিত হৈ উঠিল। তাৰ পিচত আলহ উদহ কৰি বহিবলৈ দি সুধিলে "আপুনি কি কাৰণতেই বা এই আশ্ৰমলৈ আহিছে?" ৰজা অশ্বপতিয়ে দুই চাৰি-ষাৰ অইন কথা কৈ পিচত কলে "ৰাজৰ্ষি, সাবিত্ৰী নামে মোৰ এটি বিয়া দিবলগীয়া ছোৱালী আছে।

সাবিত্ৰীক নিজ ইচ্ছা মতে স্বামী বৰিবলৈ অনুমতি দিয়াত বহু দিন বহু দেশ নগৰ ঘূৰি অৱশেহত আপোনাৰ পুতেক সত্যবানকে মনে মনে স্বামীৰূপে বৰি গৈছে। এতিয়া আপোনাৰ অনুমতি পালে সাবিত্ৰীক সত্যবানৰ লগত বিয়া দিব পাৰোঁ।

তেতিয়া দ্যুমৎসেনে উত্তৰ কৰিলে "মহাৰাজ, ৰাজ সুখত থাকি ডাঙৰ দীঘল হোৱা আপোনাৰ ছোৱালীয়ে খাবলৈ নোহোৱা এই বাঁহপাতৰ পঁজা ঘৰৰ তলত কেনেকৈ থাকিব ?" অশ্বপতিয়ে কলে "ৰাজৰ্ষি, সাবিত্ৰী নিচেই অবুজ ছোৱালী নহয় ! এই বোৰ কথা জানিও যেতিয়া তাই আগ বাঢ়িছে তাত আমাৰ আপত্তি কি ?" দ্যুমৎসেনে আকৌ কলে "মহাৰাজ মই বাধা দিয়া নাই ; বৰং এনে ৰূপৱতী আৰু গুণৱতী বোৱাৰী পাবলৈ মই বাঞ্ছাহে কৰোঁ। তথাপি মোৰ কবলগীয়া কথাখিনিহে কৈ থৈছোঁ।" সাহ পাই অশ্বপতিয়ে কলে "আপুনি জানিব যে ফাঁকি-জুকৰে ভৰা সংসাৰত কৈ সাবিত্ৰীয়ে সৰল পাক—চক্ৰ নোহোৱা আশ্ৰম বেচি ভাল পায়। আনন্দ মনে

দ্যুমৎসেনে কলে "তেন্তে মোৰ কোনো আপত্তি নাই, আপুনি আজিয়েই বিয়া দিব পাৰে।"

এইদৰে বিয়াৰ কথাবতৰা ঠিকঠাক হৈ যোৱাৰ পিচত সত্যবানক দেখি অশ্বপতিৰ ঘৈণীয়ে মনে মনে ভাবিলে "সচাঁকৈয়ে যেনে শুনিছিলোঁ তেনে দেখিলোঁ —সত্যবানৰ ৰূপ-গুণ বিতোপন।

সেইদিনা সন্ধিয়া তাতে বিয়া হবৰ সকলো আয়োজন ঠিকঠাক। আশ্ৰমৰ সকলো ঋষি মুনিক বিয়ালৈ মতা হল। শুভক্ষণত, শুভ লগ্নত, পবিত্ৰ আশ্ৰমত, ঋষি-মুনি সকলৰ মঙ্গল আশীৰ্ব্বাদৰ মাজত সাবিত্ৰী সত্যবানৰ বিয়া শেষ হৈ গল।

সাবিত্ৰীক পাই আশ্ৰমবাসী সকলো সুখী হৈছিল। আশ্ৰমৰ মাজত সাবিত্ৰী যেন কোনোবা বনদেবীহে এনে গৈছিল দেখা আৰু দিছিল এনে শোভা। বিয়া ভাঙ্গি পিচ দিনা পুৱা খাই বৈ অশ্বপতি নগৰলৈ উলটি গল।

ৰজা অশ্বপতি নগৰলৈ উলটি যাবৰ পিচত সাবিত্ৰীয়ে নিজৰ গাৰ সকলো গহনা পাতি খহাই থলে। যত যিহে শুৱাই; তাতে তেওঁৰ গিৰীয়েক

হল তপস্বী, তেওঁনো কেনেকৈ সেইবোৰ পিন্ধি থাকিব। সতীৰ ভাব, সতীৰ দস্তুৰ এনেকুৱাই। সঁচাকৈয়ে সাবিত্ৰীক তেতিয়াহে বেচিকৈ শুৱাই ধৰিছিল— তেতিয়াহে তেওঁৰ ৰূপ এশগুণে বাঢ়ি উঠিছিল। সাবিত্ৰী-সত্যবান্ দুয়ো এক হৈ যে কেনে সুখী হৈছিল তাক কি কম ? দুয়োৰে ভিতৰত কেনে মিল—যেন সোণত সুৱগা। ইটি নহলে সিটি যেন এখন্তকো থাকিব নোৱাৰে !



## ষষ্ঠ আধ্যা।

### গৃহিণী সাবিত্ৰী।

কালিৰ সাবিত্ৰী আৰু আজিৰ সাবিত্ৰী! কালি যেনে আছিল তেনে সাবিত্ৰী আজি আৰু তেওঁ নাই। কালি আছিল তেওঁ মাকৰ ঘৰত জীয়াৰী, আজি হল তেওঁ শহুৰ শাহুৰ লগত বোৱাৰী। কালি আছিল তেওঁ ঘৰত ধিতিঙ্গালি কৰি, উমলি-জামলি খাই ফুৰা ছোৱালী, আজি তেওঁ নিজে গৃহিণী;—তেওঁ দিলেহে আনে খাবলৈ পায়। কালি তেওঁৰ যেনে দস্তুৰ, যেনে কথা আছিল আজিও তেনে আছেনে? কালি তেওঁ মন গৈছিল খাইছিল, মন গৈছিল কৰিছিল, নাই যোৱা নাই কৰা; আজি আৰু তেনে নহয় আজি তেওঁ এখন ঘৰৰ ঘৈণী, তেৱেঁ সকলো চলাব লগীয়া হৈছে।

সাবিত্ৰী কিন্তু ঘৰৰ ঘৈণী হৈও সকলো কামতে পৈণত। তেওঁ আনন্দমনে দিনৰ দিনটো সকলো কামকে কৰে! তেওঁ গিৰিয়েকৰ ধৰে জোগান, শহুৰ শাহুয়েকৰ আলপৈচান, আলহী অতিথি আহিলে কৰে আলহ উদহ। সিপোনে পূজা হোম প্ৰভৃতিলৈ সকলো আয়োজন অতি সুচাৰুৰূপে কৰি দিয়ে। আশ্ৰমৰ ফুলনী বাৰীৰ ফুল পুলিত পানী, গৰুয়ে খাবলৈ ঘাঁহ আৰু হৰিণাক দুববি দিয়ে। এইদৰে তেওঁ এনেভাবে কাম কৰি ফুৰিছিল গোটেই দিনটো যে তাত কোনেও আঁজ ধৰিব নোৱাৰে। আশ্ৰমৰ মাজত তেওঁক দেখি তাহানিৰ লক্ষ্মী আইলৈ মনত পৰে, সাক্ষাৎ যেন তেৱেঁই আহি ইয়াত আছেহি।

সাবিত্ৰীয়ে তেওঁৰ স্বামী সত্যবানক সকলো কামতে সহায় কৰিছিল। তেওঁ যথাৰ্থ সহধৰ্ম্মিণী আছিল। প্ৰথমে দেখা, ৰজাৰ জীয়াৰী হৈও স্বামীৰ কাৰণেই সকলো ৰাজ সাজ এৰি পিন্ধিলে গেৰুৱা কাপোৰ। তাৰ পিচত এতিয়া এনে কি হাবিৰ পৰা কাঠ লৈ সত্যবান্ ঘৰ পালেহিয়েই সাবিত্ৰীয়ে কান্ধৰ

পৰা কাঠ নমাই আনে আৰু খৰধৰকৈ হাত মুখ ধুবলৈ পানী জটাই দিয়ে।

সাৱিত্ৰীৰ আদৰ ঘৰে পৰে। সকলোৰে মুখত সাৱিত্ৰীৰ গুণ! তপোবনত ঢুগৰাকী মানুহে লগ লাগিলেই আন কথা নাই মুঠে সাৱিত্ৰীৰ গুণ ওলাব তেওঁৰ প্ৰশংসা গাব।

সাৱিত্ৰীৰ এইটো ডাঙ্গৰ গুণ আছিল যে তেওঁ সকলোকে সমানে ভাল লগাব পাৰে। তুমি আমি পাৰোনে?

সকলোৱে বাহিৰৰ পৰা দেখিছিল যে সাৱিত্ৰীয়ে আনন্দমনে দিন নিয়াইছে তেওঁৰ কৰিব লগীয়া কাম কৰি। স্বামীৰ কাৰণে কিন্তু তেওঁৰ মনত এটি বৰ ডাঙ্গৰ চিন্তা আছিল সদায়। তোমালোকৰ মনত আছেনে তেওঁক নাৰদে কি কৈছিল বিয়াৰ আগতে? তুমি আমি পাহৰিব পাৰোঁ কিন্তু তেওঁ সেই কথা পাহৰিব পাৰেনে? তেওঁৰ স্বামীৰ, তেওঁৰ জীৱন-দেৱতাৰ আয়ু মুঠেই এবছৰ বিয়াৰ পিচৰ পৰা। এই কথা মনত ৰাখি তেওঁ নিতে দিন গণে

আৰু গুণে “হায়, সেই দিনা কি হয় মোৰ স্বামীৰ ? সঁচাকৈয়ে কিবা অমঙ্গল ঘটিবনে ?

পতি পৰমায়ু সতী দিনে দিনে গণে

মনৰ অসুখ ৰাখে আপোনাৰ মনে।”

এই দৰে দিন ১,২ কৰি গণোতে কৰোঁতেই প্ৰায় শেষ হল ; আৰু মুঠেই চাইদিন বাকী আছে সেই ভয়ঙ্কৰ দিনটো পাবলৈ। সাবিত্ৰী সেই দিনা পুৱাই উঠি গা-পা ধুই আশ্ৰমৰ সকলো কামবন শেষ কৰি মনে মনে দেৱতাক কত তুতি তৰ্পণ কৰিলে, মনে মনে কিমান কান্দিলে তাক আৰু সেই নেদেখা জনেহে দেখিলে। তাৰ পিচত তেওঁ ঈশ্বৰৰ নাম লৈ “ত্ৰিৰাত্ৰ ব্ৰত” কৰিবলৈ স্থিৰ কৰি উপবাসে থাকিল। ত্ৰিৰাত্ৰ ব্ৰতৰ নিয়ম হৈছে তিন দিন তিনিৰাতি পানী এটুপিও নোখোৱাকৈ একান্তমনে ঈশ্বৰতমতি ৰাখি থাকিব লাগে।

সাবিত্ৰী যে উপবাসে আছে এই কথা আবেলিহে শহুৰকে গম পালে আৰু ওচৰলৈ মতাই নি সাবিত্ৰীক কলে “আই, তুমি এনে ডাঙ্গৰ ব্ৰতটো

PLEASE HANDLE THE BOOK CAREFULLY


কিয় ধৰিলা ? ইয়াক পলাটো বৰ কষ্টকৰ। তোমাৰ সহ্য নহব হবলা ? সাবিত্ৰীয়ে মাতলগালে “পিতা, আপোনাৰ শ্ৰীচৰণৰ আশীৰ্ব্বাদ পালে আনে সহজে নোৱাৰা কামটোও কৰিব পাৰোঁ। এই ব্ৰত মই অনায়াসে পালিব পাৰিম। ইয়াত একো সন্দেহ নকৰিব।” সাবিত্ৰীৰ মনৰ এনে বল দেখি দ্যুমৎসেনে হয় নহয় আৰু একো নেমাতিলে ; সত্যবানৰ মাকেও কোনো আপত্তি নকৰিলে মাথোনকলে আই, তোৰ যেনে মন যায় তাকে কৰ। মইনো কি কম ?

সত্যবানে হওঁতে দেখিছিল যে সাবিত্ৰীৰ মুখত আগৰ সেই হাঁহি মাত নাই, মুখখানি যেন অলপ গহীন, মনত যেন কিবা এটা ডাঙ্গৰ ভাব লুকাই আছে। কি হৈছে কি নাইহোৱা সোঁধো বুলিও সাবিত্ৰীক সুধিবলৈ সময় নেপালে! পিচতহে তেওঁ গম পায় যে পিতাৱকৰ হুকুম লৈ তেওঁ “ত্ৰিৰাত্ৰ ব্ৰত” কৰিছে।

চাওঁতে চাওঁতেই তিনি দিন পাৰ হল। এই তিনি দিন তেওঁ খোৱাও নাই আৰু শোৱাও নাই।

এই দুখ কষ্টতে সাবিত্ৰী এফাল শুকাল! পূৰ্ণিমাৰ জোন হেন সাবিত্ৰী কৃষ্ণ পক্ষৰ শেহৰ জোন যেন হৈ পৰিল! আজি নাৰদে কোৱা সেই দিন পালেহি। উঃ, আজি সাৱিত্ৰীৰ বৰ টান পৰীক্ষাৰ দিন!

ইয়াৰ ভিতৰত এটা কথা মন কৰিছাইঁক নে? নাৰদৰ কথামতে সত্যবানৰ যে সেই দিনা মৰিবৰ দিন এই কথাটো এক সাবিত্ৰীৰ বাহিৰে আন কেওঁ নেজানে। ইমান শকত কথাটো সাবিত্ৰীয়ে নিজৰ মনতে লুকুৱাই থব পাৰিছে যে ই কম টান কথা নহয়। তুমি আমি অকণমান দুখৰ কথা এটাকে পেটত ৰাখিব নোৱাৰোঁ। —“মোৰ এনে হল,” “মোৰ তেনে হল” বুলি সকলোকে কৈ ফুৰোঁ। সাবিত্ৰীয়ে ইমান ডাঙ্গৰ কথাটোও মন টান কাৰণে লুকুৱাই ৰাখিছে—কাকো কোৱা নাই। তথাপি যেতিয়া সত্যবান্ আন দিনৰ দৰে আনন্দমনে সেইদিনাও বনলৈ ওলাল কাঠ আনিবলৈ, তেতিয়া তেওঁৰ বুকু ফাটি যোৱা যেন পালে। হায়, তেওঁৰ মাক বাপেকে তেতিয়াও সেই বিষয়ে একো নেজানে! সাবিত্ৰীয়েই বা তেনে নিদাৰুণ বাতৰি

কেনেকৈ কব সিবিলাকক। কলেই মহালেঠা হব। বৰং কেনেবাকৈ কিবা গম পাব বুলি সাবিত্ৰীয়ে মনৰ সকলো দুখ মনতে ৰাখি আন দিনৰদৰে সকলো কামবন কৰি সোনকালে আজৰি হল! ধন্য সাবিত্ৰী তোমাৰ মন ইমান ডাঙ্গৰ, ইমান টান নে? আমি সিমান এটা কথা পেটত লৈ কেতিয়াও তেনেভাবে কাম-কাষ কৰি ফুৰিব নোৱাৰোঁ। তোমাক ধইন ধইন এশ-বাৰ ধইন দিছোঁ সাবিত্ৰি!

বেলি লাহ দি আহোঁতে আহোঁতে সত্যবান হাতত কুঠাৰ লৈ বনলৈ যাবলৈ ওলাল। কাঠ নানিলেযে সকলো লঘোনে থাকিব লাগিয সেই দিনাখন। সাবিত্ৰীয়ে চায় "এওঁক আজি অকলে বনলৈ যাব দিয়া নেযায়। কত কি হয় কোনো জানে। আজিৰ দিনটো এওঁক কোনোমতে চকুৰ আঁতৰ কৰিব নোৱাৰোঁ।" ইয়াকে গুণি গাঁথি সাবিত্ৰীয়েও লগ ধৰিলে তেওঁৰ। আচৰিত হৈ সত্যবানে সুধিলে "তোমাৰ নো আজি আকৌ এনে মতি কিয় হল? থোঁৱা থোঁৱা যাব নেলাগে মই এতিয়াই ঘূৰি

আহিম গৈ। ভোকে লঘোনে তুমি বনলৈ গৈ কৰিবা কি ?”

সাবিত্ৰীয়ে কলে “মোৰ আজি মনটো বেয়া লাগিছে; মোক ইয়াত এৰি নেযাব। ভোকে লঘোনে মোক একো কৰিব নোৱাৰে মই অনায়াসে যাব পাৰিম। বননি চাবৰ মোৰ বৰ মন গৈছে। দুয়ো লগলাগি ফল মূল বিচাৰি আনি পিতাহঁতক সেৱা কৰিবলৈ পালে আমাৰ কেনে আনন্দ হব। এতেকে মোক আজি বাধা নকৰিব মই যামেই যাম।”

সত্যবান নিতান্ত বিমোৰত পৰিল। সাবিত্ৰীয়ে ইয়াৰ আগেয়ে তেওঁক কোনো কথাৰ নিমিত্তে এনেকৈ পেৰেনাপাতি ধৰা নাই। এতিয়া তেওঁৰ প্ৰথম কথাটোকেইনো কেনেকৈ দলিয়াই পেলাব। কাজেই কলে “বাৰু তেন্তে বলা মোৰ লগত কিন্তু পিতা আৰু আইৰ অনুমতি লৈ আঁহা।”

সেই কথামতে সাবিত্ৰী শহুৰ শাহুয়েকৰ ওচৰলৈ গৈ বনলৈ যাবৰ নিমিত্তে অনুমতি বিচাৰিলে। প্ৰথমতে দুয়ো দুৰ্যোৰ আপত্তি কৰিলে; কিন্তু

যেতিয়া দেখিলে যে সাবিত্রীৰ বনলৈ যাবলৈ নিতান্ত মন হৈছে তেতিয়া তেওঁক বাধা নকৰি আশীৰ্ব্বাদ দি সোনাকালে ঘূৰি আহিবলৈ কৈ বিদায় দিলে। সাবিত্ৰীয়েও ঈশ্বৰৰ নাম স্মৰি আশ্ৰমৰ পৰা ওলাল হয় কিন্তু তেওঁৰ বুকু কঁপিবলৈ ধৰিলে! কোনে জানে কোন মুহূৰ্ত্তত সেই অশুভ ঘটনা ঘটিব।



## সপ্তম আধ্যা।

—:০:—

### কপালৰ লিখন।

সাবিত্ৰীক লগত লৈ এই প্ৰথম বনলৈ আহিবলৈ পাই সত্যবানৰ মনত কিন্তু সেইদিনা বৰ আনন্দ। কিয়নো আগেয়ে তেওঁ সেই বনত ফুৰোঁতে ফুৰোঁতে তাৰ শোভা দেখি ভাবিছিল "আহা, সাবিত্ৰী লগত থকাহেতেন তেওঁ কিমান বং পালে হেতেন।" আজি সত্যবানৰ সেই অভাব পূৰ হৈছে। তেওঁ মনৰ আনন্দত সাবিত্ৰীক কত কি দখুৱাই ফুৰিছে তাৰ ঠিক নাই। সৌ চোঁৱা সাবিত্ৰী মৰা চৰায়ে নাচিছে। আহা দেখিছানে সৌ কপৌ জুৰিয়ে কেনেকৈ আমন জিমন কৰি বহি আছে? হায় হায় সিহঁতৰ হল কি? আৰু দেখিছানে সেই সৰু পৰ্ব্বতটিত সৌ বিলাক কেনে ধুনীয়া ফুল ফুলিছে? দেহি ঐ সৌ হৰিণা পোৱালিটোয়ে মাকক হেৰুৱাই কেনেকৈ হাবাথুৰি খাই



বনৰ মাজত বিপন্না সাবিত্ৰী ।

বিচাৰি ফুৰিছে ? চোঁৱা সাবিত্ৰী চোঁৱা এই লতাডালিয়ে কেনেকৈ গছত মেৰাই মেৰাই ওপৰলৈ উঠি গৈছে। এইদৰে তেওঁ কত কি দেখুৱাইছে, কৈছে তাৰ আদি অন্ত নাই।

বনৰ শোভা দেখি সাবিত্ৰীয়ে মনত ভাল পাইছে সঁচা কিন্তু বনত কিহবাই খিৰিং কৰিলেও তেওঁৰ বুকু কঁপি উঠে ভাবে "এই কিবা আহিল কিবা হল" এনে বিলাক সাবিত্ৰীৰ মনত বৰ অশান্তি ভাব আহি, তেওঁ সত্যবানৰ কোনোটো কথাৰ উত্তৰ দিব পাৰিছে কোনোটোৰ না পৰাই নাই। কিয়নো তেওঁৰ মন আছে কৰবাত।

সত্যবান্ হাবিত সোমাই পাচিত ফল-মূল যি পায় এপাচিকৈ ভৰাই লৈ [illegible] তাৰ পিছত তেওঁ এজোপা ডাঙৰ গছৰ তলত [illegible]য়দি সাবিত্ৰীক কলে "সাবিত্ৰী, তোমাৰ ইমান ক[illegible]ই জুৰিছে। আহাহা, তোমাৰ মুখখন শুকাই গৈছে। তুমি ইয়াতে বোঁৱা, অলপ জিৰোৱাঁ, মই কাঠ কাটিবলৈ গছৰ ওপৰলৈ উঠি যাওঁ।"

তেতিয়া বেলি বহি কাণিমুণি এন্ধাৰ হৈছে। সাবিত্ৰীয়ে জানে যে আজিৰ পৰা তেওঁৰ শাঁখ গুচিব হাতৰ আৰু সেন্দুৰ গুচিব কপালৰ। তথাপি তেওঁ তেতিয়াও ধৈৰ্য্য এৰা নাই; তেতিয়াও তেওঁ মনত বল বান্ধি বহিল। তেওঁ বহিলহে হয় কিন্তু তেওঁৰ গাৰ গমনাই কি হৈছে কি নাই হোৱা; নিজেই একো কব নোৱাৰে। মনৰ দুখ-বেজাৰত তেওঁৰ চিন্তা কৰিব পৰা শক্তিয়েই নোহোৱা হল। তেওঁক সেইদৰে বহি থকা দেখি আঁতৰৰ পৰা বুজা যায় যেন "চৰগ" পৰা মানুহহে সেই গৰাকী বহি আছে!

সিপোনে গছত উঠি কাঠ কাটি থাকোঁতে থাকোঁতে হঠাৎ সত্যবানৰ মূৰৰ বিষ উঠিল। তেওঁ লৰালৰিকৈ গছৰ পৰা নামি ঘৰে কাঠ-কুঠাৰ তেতে পেলাই সাবিত্ৰীৰ কাষ চাপি মাতিলে "সাবিত্ৰী!"


সত্যবানৰ এই কোমল মাতষাৰ সাবিত্ৰীৰ কাণত পৰিল। তেওঁ চমক্ খাই উঠি সত্যবানৰ ফালে চকু মেলি চালে। সত্যবানে কলে "সাবিত্ৰি, মোৰ

মূৰত সহিব নোৱাৰা কিবা এটা বিষ উঠিছে। উঃ ধৰা, মোৰ প্ৰাণ যায় !”

বহাৰ পৰা সাবিত্ৰী ততালিকে উঠিল। সত্যবানক আকোৱালি ধৰি লাহেকৈ বহুৱাই নিজৰ কোলাত মূৰটি ৰাখি দীঘলকৈ শুৱালে। সত্যবানৰ মূৰৰ বিষ ক্ৰমে বেচিহৈ আহিল। তেওঁ এবাৰ সাবিত্ৰীৰ ফালে চকু মেলি চালে আৰু বুজিব নোৱাৰা অফুট মাতেৰে কিবা কলে। চাওঁতে চাওঁতে তেওঁৰ গা প্ৰানী যেন চেচাঁ হৈ গল। সাবিত্ৰীয়ে বুজিলে যে এইবাৰ দেবৰ্ষি নাৰদৰ কথা ফলিয়ালে। বেলিৰ লগে লগে সত্যবানৰ প্ৰাণটিও একে সময়তে মাৰ গল ! সাবিত্ৰীৰ হিয়াখন নিচেই এন্ধাৰ—কলা পৰিল !!

সাবিত্ৰীয়ে মৰা গিৰিয়েকক কোলাত লৈ একে থৰে মুখলৈ চাই বহি থাকিল ! তেওঁৰ কান্দোনকাটোন নাই, হা হুমুনিয়াহ নাই, চকুৰ পচাৰো নাই ! হায় হায় তেওঁৰ কি হৈছে, কি ভাবিছে, কেনে পাইছে কম কেনেকৈ ?

কিন্তু তোমালোকে সাবিত্ৰীৰ অৱস্থালৈ মন কৰিছানে ? সাবিত্ৰী এঘৰৰ বোৱাৰী। তেওঁ ঘৰৰ চাৰি চুককে ভালকৈ চিনি নেপায়। তেনে মানুহ আজি হাবিৰ মাজত অকলৈ। তাতে এই এন্ধাৰ নিশা ; তাৰ ওপৰটো কোলাত মৰাশ এটা ! ধন্য তোমাৰ সাহ সাবিত্ৰী ! কৰিবনো কি, বুঢ়ালোকে কয়েই "কপালৰ লিখন. কোনে কৰে খণ্ডন !"



## অষ্টম আধ্যা।

—ঃ০ঃ—

যম ৰজাৰ বৰ।

সিপোনে যমপুৰীত চিত্ৰগুপ্তৰ বহিত ওলাল যে পৃথিবীত নৰ-মনিচ এজনৰ আয়ু শেষ হল। তেওঁ তেতিয়াই দূতক হুকুম দিলে "সত্যবানৰ আয়ু শেষ হল আজি, যা তহঁতে তেওঁৰ প্ৰাণ কাঢ়ি লৈ আহ। চিত্ৰগুপ্তৰ হুকুম পাই যমদূত আহি সেই বনত উপস্থিত! আও, যমদূত বিলাককনো চাবা কেনেকৈ যিহে সিহঁতৰ কদাকাৰ ৰূপ। সিহঁতৰ নামেই হল যমদূত! যেনে সিহঁতৰ চেহাৰা, তেনে সিহঁত ভীষণ! সিহঁত আহিল সঁচা সত্যবানক নিবলৈ কিন্তু সাবিত্ৰীৰ ওচৰ সিহঁত কোনোমতে চাপিব নোৱাৰিলে এনে সতীৰ তেজ!

কাজেই সিহঁত যি বাটেই আহিছিল সেই বাটেই আকৌ ঘূৰি গৈ যমৰজাক গোচৰ দিলে "প্ৰভু, আমি

কোনোমতে সত্যবানৰ ওচৰ চাপিব নোৱাৰিলোঁ, কোনোবা এগৰাকী তিৰোতাৰ কোলাত সত্যবান্ শুই আছে আৰু সেই গৰাকীৰ তেজৰ প্ৰভাৱত আমাৰ আগ বাঢ়িবৰ শকতি নহল। আমাক চুবলৈকো নিদিলে। গুছ্ তঁহত বুলি খেদাই দিলে।

দূতৰ কথা শুনি যম ৰজাই কলে "তেন্তে মই নিজে সত্যবানৰ প্ৰাণ আনিবলৈ যাম।" এই বুলি তেওঁ মূৰত জুইৰ টুপি পিন্ধিলে আৰু হাতত "পাশ', (বান্ধিবলৈ জৰি) এডাল লৈ নগৰ ওলাই ততালিকে সাবিত্ৰীৰ ওচৰ পালেহি। যমৰজাক আগতে দেখি সাবিত্ৰীয়ে মাত লগালে "আপুনি কোন? আপোনাৰ মুৰ্ত্তি দেখি বুজা গৈছে যে আপুনি কোনোবা দেৱতা। আপুনি কিয় আহিছে ইয়ালৈ?

সাবিত্ৰীৰ কথা শুনি যমৰজাই কলে "সাবিত্ৰী, তুমি সতী, ধৰ্ম্মপৰায়ণা সেই কাৰণেহে তোমাৰ কথাৰ উত্তৰ দিওঁ। মই যাৰে তাৰে লগত কথা নহওঁ, মোক নেদেখেও যেয়ে সেয়ে। মই স্বয়ং যম। সত্যবানৰ আয়ু শেষ হৈছে কাৰণে তেওঁৰ প্ৰাণ

হৰি নিবলৈ আহিছোঁ। সাবিত্ৰীয়ে কলে "প্ৰভু, কোৱা শুনো আপোনাৰ দুত বিলাকেহে বোলে মৰা মানুহৰ প্ৰাণ হৰি নিয়েহি। আজিনো আপুনি নিজে কিয় আহিছে!" যমে মাত লগালে "সত্যবান্ ধাৰ্ম্মিক, সত্যবাদী, আৰু জিতেন্দ্ৰিয় আছিল কাৰণে তেওঁক মোত বিনে আনে নিব নোৱাৰে। সেই কাৰণে মই নিজে আহিছোঁ। বিধতাৰ নিয়ম কোনে লঙ্ঘিব পাৰে? সত্যবানৰ আয়ু শেষ হৈছে। এতিয়া তুমি তেওঁক এৰি দিয়া মই তেওঁৰ প্ৰাণ হৰি নিব লাগে।"

তেতিয়া সাবিত্ৰীয়ে কলে "প্ৰভু, মই এৰি দিলেহে যদি সত্যবানৰ প্ৰাণ নিব পাৰে নিয়ক; কিন্তু স্বামীৰ যি গতি মোৰো সেই গতিয়েই।" এই বুলি তেওঁ সত্যবানক কোলাৰ পৰা নমাই মাটীত থলে। ইতি মধ্যে যমৰজাই বুঢ়া আঙ্গুলীটোৰ সমান প্ৰাণটো উলিয়াই, লৈ অহা পাশৰে বান্ধি খোজললে। কিন্তু অলপ বাট গৈয়ে শুকান পাতৰ ওপৰত আন কাৰবাৰো খোজ পৰা শব্দ শুনি যমৰজাই ভাবিলে পিচে পিচে কেনোবা আহিছে। ঘূৰি চাই দেখিলে সাবিত্ৰী।

তেতিয়া তেওঁ সাবিত্ৰীক মাতি কলে "আই সাবিত্ৰী, তুমি কিয় মিছাতে মোৰ পাচে পাচে আহিছা? কৰ্ম্মফল অনুসাৰে মানুহ অল্লায়ূ আৰু দীৰ্ঘায়ূ হয়। সেই কৰ্ম্মফল মতেই সত্যবানৰ আয়ু শেষ হোৱাত তেওঁৰ প্ৰাণ অনা হৈছে। এই মৰ্ত্ত্য লোকলৈ আহিলে মানুহ মৰেই, তাৰ নিমিত্তে তুমি কিয় অনাহক কষ্ট কৰিছা? সাবিত্ৰীয়ে কলে "প্ৰভু, আপুনি যথাৰ্থ কৈছে। বিধিৰ বিধান মতেই মানুহ মৰে। আৰু ময়ো সেই বিধিৰ বিধান মতেইহে মোৰ স্বামীৰ পিচে পিচে আহিছোঁ। পতিব্ৰতা তিৰোতাৰ গতি স্বামীৰ বাহিৰে আৰু কত আছে? বিধিয়ে এই কথা কোৱা নাই জানো?" শাস্ত্ৰত এই বিষয়ে কি উপদেশ আছে প্ৰভু!

সাবিত্ৰীৰ কথা শুনি যমৰজা সন্তুষ্ট হল আৰু কলে "আই, তোমাৰ ধৰ্ম্ম কথা শুনি মই বৰ সন্তোষ পাইছোঁ। এতেকে তুমি সত্যবানৰ জীৱনৰ বাহিৰে যিহকে লাগে বৰ লোঁৱা।" সাবিত্ৰীয়ে কলে "হে প্ৰভু যমৰাজ, যদি আপুনি মোৰ প্ৰতি প্ৰসন্ন হৈছে

তেন্তে মোক এই বৰ দিয়ক যাতে মোৰ শহুৰে আকৌ চকু পায় আৰু সুখী হব পাৰে।” যমে কলে, “তোমাৰ এনে সজ বাঞ্চা পূৰ্ণ হওক।”

প্ৰথম বৰ দি যম আকৌ যাবলৈ ধৰিলে। অলপ বাট গৈয়ে আগৰ দৰে খোজৰ শবদত কোনোবা অহা গম পাই ঘূৰি চাই সাবিত্ৰীক দেখি কলে “সাবিত্ৰি, তুমি আকৌ কিয় মোৰ পাচে পাচে আহি আছা? তুমি ঘৰলৈ উলটি যোৱা। ইমান বাট খোজ কাঢ়ি তোমাৰ ভাগৰ লগা নাইনে?” সাবিত্ৰীয়ে কলে “মোৰ স্বামীৰ ওচৰত থাকোঁতে আকৌ দুখ ভাগৰ কি আছে প্ৰভু? আপুনি মোক ঘূৰি যাবলৈ কৈছে কিন্তু মই ঘূৰি যাব খুজিলেও যাব নোৱাৰোঁ। মোৰ প্ৰাণ সত্যবানৰ প্ৰাণৰ লগত বন্ধা আছে। এজনক নিলে আনজনো লগতে নেযাবনে? সেই কাৰণে মোৰ স্বামীক যলৈকে নিব ময়ো তলৈকে নগৈ নোৱাৰোঁ।”

সাবিত্ৰীৰ কথা শুনি যমৰজাই কলে “সাবিত্ৰি, দুপৰীয়া ধকত অহা মানুহৰ পক্ষে পানী যেনেকুৱা

তোমাৰ কথাও মোৰ মনত তেনে ভাল লাগিছে। তোমাৰ কথাবিলাকে মোৰ কাণত মৌ বৰষাদি বৰষিছে। মই পৰম সুখী হৈছোঁ। তুমি সত্যবানৰ জীৱনৰ বাহিৰে যিহকে লাগে আৰু এটা বৰ লোঁৱা।" সাবিত্ৰীয়ে কলে "মোৰ শহুৰে ৰাজ্য হেৰুৱাই বনত অতি কষ্টে বাস কৰিছে। আপোনাৰ বৰত যেন তেখেতে পুনৰ ৰাজ্য পায় আৰু সুখত থাকিব পাৰে। যমে কলে "তথাস্তু"—সেয়ে হওক। এতিয়া তুমি ঘৰলৈ উলটি যোঁৱা। জীয়া মানুহ যম—নগৰলৈ যাব নোৱাৰে। বিশেষ তোমাৰ এতিয়া সময়ো হোৱা নাই।"

দ্বিতীয় বৰ দি যম আকৌ যাবলৈ ধৰিলে। আকৌ ঘূৰি সাবিত্ৰীক দেখি কলে "সাবিত্ৰি, তুমি দেখিছোঁ শোকত্তে পাগলী হলা আৰু আৰু আগ গুৰি নভবাকৈ পিচে পিচে আকৌ আহি আছা!" সাবিত্ৰীয়ে মাত লগালে "প্ৰভু আপুনি যথাৰ্থ কৈছে মই পাগলী হৈছোঁ। মোৰ মনৰ ওপৰত এতিয়া একো হাত নাই। আপুনি মোৰ স্বামীক যলৈকে লৈ যাব ময়ো তলৈকে যাম।"

যমে সাবিত্ৰীৰ মন বুজিবৰ নিমিত্তে কলে "সাবিত্রি যদি বেয়া কাম কৰা বাবে তোমাৰ স্বামী নৰকলৈ যাবলগীয়া হয় তুমিও সেই নৰকলৈ যাবানে ?" সতী সাবিত্ৰীয়ে ডাঠ দি কলে, "মোৰ স্বামী যলৈকে যাব, জীৱন কি মৰণ, নৰক কি স্বৰগ তালৈকে মই যাম—অতি আনন্দেৰে।" যমে কলে "আই তোমাৰ কথাবিলাক বৰ সুৱলা অথচ ধৰ্ম্ম ভাবৰ। তোমাৰ কথা শুনি মই বৰ আনন্দ পইছোঁ। তোমাৰ ইচ্ছামতে সত্যবানৰ জীৱনৰ বাহিৰে আৰু এটি বৰ লোৱাঁ। সাবিত্ৰীয়ে কলে "যদি মোৰ প্ৰতি ইমান সদয় হৈছে তেন্তে প্ৰভু এই বৰ দিয়ক যাতে মোৰ পিতাৰ এশ পুত্ৰ হয়। মোৰ পিতা অশ্বপতি অপুত্ৰকা। পুত্ৰ নহলে সেই বংশ লোপ পাব।" আনন্দমনে যমে কলে "তথাস্তু—" সেয়ে হওক।

তৃতীয় বৰ দি যম আগৰ দৰে যাবলৈ ধৰোঁতেই সাবিত্ৰীয়ে আঠু লৈ কলে "প্ৰভু, দাসীৰ এটি নিবেদন শুনি যাওক। আপুনি ধৰ্ম্মৰাজ; ধৰ্ম্মৰ গ্লানি নকৰিব। আপুনি মোক ধৰ্ম্মবাট এৰি যাবলৈ কিয় কৈছে ?

শাস্ত্ৰৰ কথা, নেমানিলে অসতী হব লাগিব নহয় ? পতিয়েই সতীৰ গতি ! প্ৰাণত কৈও ধৰ্ম্ম ডাঙ্গৰ আৰু সেই ধৰ্ম্মৰ বলতে আজি ধৰ্ম্মৰাজ আপোনাক দেখা পাইছোঁ। আপুনি দেৱতা। দেব-দৰ্শণ কেতিয়াও নিষ্ফল নহয়। মই কি সতে ঘৰলৈ অকলে উলটিম ? শহুৰে সুধিলে মই কম কি ? আপোনাৰ বৰতে তেওঁ ৰাজ্য পালে চকু পালে সঁচা কিন্তু যেতিয়া মোক অকলে দেখি কান্দি উঠিব তেতিয়া মই কি বুলি শান্ত্বনা কৰিম ? আপুনি এইবোৰ বৰ নিদি শাপহে দিয়া হল। হায় হায় মোৰ কি হব ? এইদৰে সাবিত্ৰীয়ে যমৰজাক ইমান স্তুতি-তৰ্পণ কৰিলে, ভাল ভাল ধৰ্ম্ম কথা কলে যে যমৰজা তাত বড় সন্তুষ্ট হল আৰু সাবিত্ৰীক কলে "সাবিত্ৰি, সত্যবানৰ জীৱনৰ বাহিৰে তুমি আৰু এটি বৰ লৈ ঘৰলৈ উলটি যোৱা। মোক আৰু সৰহ পৰ নেৰাখিবা।" তেতিয়া সাবিত্ৰীয়ে নিজৰ মনৰ আচল কথাটি লাহেকৈ কলে "প্ৰভু, এই বৰ দিয়ক যেন সত্যবানৰ ঔৰসত মোৰ গৰ্ভত এশ পুত্ৰ হয়। যমে নভবা নিচিন্তাকৈ ( আন কিবা

কথা ভাবি আছিল কাৰণে ) কলে "তথাস্তু—" সেয়ে হওক।

এই চতুৰ্থ বৰ দি যমে ভাবিলে এই বাৰ সাবিত্ৰীৰ হাতৰ পৰা ৰক্ষা পৰিলোঁ। কিন্তু কেখোজমান গৈ আকৌ ঘূৰি সাবিত্ৰীক দেখা পাই সুধিলে "সাবিত্ৰি তুমি আকৌ কিয় পিছে পিছে আহিছা ? সাবিত্ৰীয়ে উত্তৰ কৰিলে "প্ৰভু, আপুনি আমনি নেপাব। এইবাৰ আপোনাৰ নিমিত্তেহে আহিছোঁ। কেনেবাকৈ আপুনি মিছাত পৰে বুলি। দেখক, আপুনি বৰ দিলে সত্যবানৰ ঔৰসত তোমাৰ এশ লৰা হব ; অথচ সত্যবানক বান্ধি লৈ আছিছে যম নগৰলৈ ! ইনো কেনে কথা হৈছে প্ৰভু ? এনেকৈ হলে আপোনাৰ কথা মিছা হব নহয় ? এতেকে মোৰ স্বামীৰ প্ৰাণটি ঘূৰাই দি আপুনি যাওকগৈ।"

যম ৰজাই দেখিলে কথা সচাঁ। তেওঁ খুব ঠগ খালে। কিন্তু ভাবিলে এতিয়া আৰু কি হব। তেওঁৰ কথা অথলে কেতিয়াও যাব নোৱাৰে। কাজেই সত্যবানৰ প্ৰাণ ওলোটাই সাবিত্ৰীৰ হাতত

দি কলে "সাবিত্ৰি, ধন্যা তুমি। তুমি আজি অসাধ্য সাধন কৰিলা। কেতিয়াও নোহোৱা—নোপজা কথা তোমাৰ সতীত্বৰ তেজৰ বলত সম্ভৱ হল। তোমাৰ এই মহিমা পৃথিবীত চিৰকাল সকলো মানুহে গাব।" এইদৰে আশীৰ্ব্বাদ আৰু প্ৰশংসা কৰি যমৰজা নিজ নগৰলৈ উলটি গল।

সাবিত্ৰীৰ মনোবাঞ্ছা পূৰ্ণ হল! তেওঁ ব্ৰত-উপবাস তপস্যা প্ৰভৃতি কৰা কষ্টৰ গুটি আজি ধৰিলে। আৰু ঈশ্বৰেও সতীৰ মহিমা, সতীৰ মহত্ব পৃথিবীত দেখুৱাবৰ নিমিত্তে নিজে পূৰ্ব্বাপৰ চলি অহা নিয়ম ভাঙ্গি দেখুৱাই সাবিত্ৰীব প্ৰাৰ্থনা পূৰ কৰিলে। আজি মৰা মানুহে প্ৰাণ পাই জী উঠিল!

সত্যবানৰ প্ৰাণ ঘূৰাই পাই সাবিত্ৰীৰ মনত যে কি আনন্দ হৈছিল তাক তোমালোকক কেনেকৈ কম? যেয়ে যিমান পাৰা নিজে নিজে বুজিবা। সাবিত্ৰীয়ে প্ৰাণটি লৈ বেগাবেগিকৈ যত সত্যবানৰ মৰাশটো পৰি আছিল তালৈ ঘূৰি আহিল আৰু সত্যবানৰ মুৰটি আগৰ দৰে নিজৰ কোলালৈ তুলি লৈ প্ৰাণটি গাত লগাই দিলে।

সত্যবানে তেতিয়া গা এঙ্গামুৰি দি, এবাগৰ মাৰি সাবিত্ৰীৰ ফালে চাই টোপনি ভগা মানুহৰ দৰে কলে "সাবিত্ৰী, বহু নিশা হল হবলা ? মোৰ বৰ টোপনি আহিছিল। তুমি মোক কিয় জগাই নিদিলা ? শুই থাকোঁতে মই এটা সপোনো দেখিছিলোঁ। তাৰ পৰা আৰু একো কব নোৱাৰোঁ। সঁচাকৈয়ে কেনোবা আহিছিল নে ইয়ালৈ ?" সাবিত্ৰীয়ে সেই কথা লুকুৱাই কলে "এৰা হওঁতে এতিয়া ৰাতি বহুতো হৈছে। এতিয়াই আশ্ৰমলৈ যাবনে ?"

সত্যবানে কলে "সাবিত্ৰি আশ্ৰমলৈ এতিয়াই যোৱা উচিত। আমাক নেদেখি পিতা আৰু আয়ে কত বিচাৰি হায়ৰাণ হৈছে চাগৈ ! আমি নগলে আই কান্দি কাটি অস্থিৰ হব। বলা, বলা এতিয়াই যোৱা যাওক। পলম কৰা ভাল নহয়।" সাবিত্ৰী ততালিকে বহাৰ পৰা উঠিল, মুৰৰ খোপাটো বান্ধিলে আৰু সত্যবানক নিজৰ গাত আঁউজাই লৈ আকোৱালি ধৰি আশ্ৰম মুৱাহৈ খোজ ললে।

# নবম আধ্যা।

## শেষ কথা।

ইপোনে আশ্রমত সত্যবানৰ মাক-বাপেকৰ মনত বৰ উগুল থুগুল লাগিবলৈ ধৰিলে। এতে পৰেও কিয় সাবিত্রী—সত্যবান্ উলটি অহা নাই আশ্রমলৈ? বুঢ়া বয়সীয়া মাকে মন তাপৰিব নোৱাৰি একো একো-বাৰ বাহিৰলৈ ওলাই চাই আহে। বুঢ়া বাপেকে চকুৰে নেদেখে কাৰণে বহি বহি আকাশ পতাল ভাবিছে—পুতেক বোৱাৰীয়ে-কৰ হল কি? গুণি গাথি থাকোঁতেই দ্যুমৎসেন ৰজাৰ অলপ কলাঘুমটিৰা টোপনি আহিল। সেই টোপনিতে যেন কোনোবাই কৈ গল "তোমাৰ পুতেৰৰ নিমিত্তে চিন্তা নকৰিবা। অলপতে আশ্রম ওলাবহি এতিয়া। তুমি তোমাৰ বোৱাৰীয়েৰাৰ জহত চকুও পালা, চোৱাচোন চকু মেলি। আৰু অলপতে ৰাজ্যও পাবা।"

এনেতে দ্যুমৎসেনৰ কলাঘুনটি ভাগি গল। তেওঁ

সাৰ পাই চকু সচাঁকৈয়ে মেলিব পৰা হল। আচৰিত মানি ঘৈণীয়েকক সকলো কলে। সোন-কালে সত্যবান্ ঘূৰি আহিব জানি সিবিলাকৰ মন অলপ পতিয়ালে সচাঁ কিন্তু মাইকী বাপেকিৰ পোৰা পেটে সৰহ নসলে কাৰণে দুয়ো সেই ৰাতিখন ওলাই আশ্ৰমে আশ্ৰমে ঘূৰি বিচাৰিবলৈ ধৰিলে। তাত কতো নেপাই হাবিৰ ফালে সোমাই মুনি সকলৰ আশ্ৰম পালেগৈ। সকলো মুনিয়ে একমুখে সিবিলাকক কলে "তোমালোকে চিন্তা নকৰিবা। সাবিত্ৰী—সত্যবান্ এতিয়াই ঘুৰি আহিব।"

মুনি সকলে সদায় সচাঁ কথা কয় আৰু সিবিলাকে যি মন যায় কৰিব পাৰে। সিবিলাকৰ কথা কেতিয়াও অথলে নেযায়। সচাঁকৈয়ে চাওঁতে চাওঁতে সাবিত্ৰী সত্যবান্ আহি আশ্ৰমত উপস্থিত। দুয়ো মাক-বাপেক আদি আশ্ৰমত উপস্থিত থকা ঋষি মুনি সকলক প্ৰণাম কৰিলে।

দ্যুমৎসেন আৰু তেওঁৰ বুঢ়ী ঘৈণীয়ে হেৰোৱা ৰতন ঘূৰাই পাই হাতত আকাশ পোৱা দি পালে। তেওঁ-লোকৰ আনন্দতে চকুলো বৰলৈ ধৰিলে। ঋষি মুনি

সকল তেতিয়া ৰাতি গহীন হোৱা দেখি দুয়োকে আশীৰ্ব্বাদ কৰি ঘৰলৈ উলটি গল।

পিচদিনা পুৱা সেই দৰে আশ্ৰমবাসী সকলো আহি দ্যুমৎসেন ৰজাৰ আশ্ৰমতে বহিল। আগদিনা হৈ যোৱা সকলো ঘটনা জানিবলৈ মন কৰি কিয়নো ঘূৰোতে পলম হৈছিল তাকে সাবিত্ৰীক সুধিলে। সাবিত্ৰীয়ে তেতিয়া আগৰ পৰা শুৰিলৈকে তাত কি কি হৈছিল সকলো ভাঙ্গি পাতি কলে! সকলোৱে সেই কথা শুনি সাবিত্ৰীক তেওঁৰ সাহ-পীত আৰু জ্ঞানৰ প্ৰশংসা কৰিবলৈ ধৰিলে। নিজৰ প্ৰশংসা শুনি সাবিত্ৰী তলমূৰ হৈ ৰল।

ৰজা দ্যুমৎসেনৰ সুখৰ দিন আকৌ ঘূৰি আহিল। দুখৰ পিচত সুখ আহেই। সেই কাৰণে অলপ পিচতে তেওঁৰ নিজৰ ৰাজ্যৰ পৰা দূত আহি খবৰ দিলেহি "মহাৰাজ, আপোনাক সকলো ৰাইজে ঘূৰি ৰজা মনোনীত কৰিছে। আপুনি এতিয়া যাব লাগে।" দ্যুমৎসেন ৰজাই ৰাজ্য ঘূৰাই পালে। তেতিয়াৰ দিনতো প্ৰজাই নিজৰ ৰজা বাচি লৈছিল।

PLEASE HANDLE THE BOOK CAREFL

## শেষ কথা।

সাবিত্ৰী সত্যবানৰ ক্ৰমে ২।১ টীকৈ এশটি লৰা জন্ম হল। সংসাৰ আকৌ ভৰপূৰ হল। সিবিলাকে পৰম আনন্দে দিন নিয়াবলৈ ধৰিলে। দেৱতাৰ বৰত যি সুখ সিবিলাকে পাইছে তাত আৰু কিবা বাকী আছেনে? ইপোনে ৰজা অশ্বপতিৰো মনত আনন্দ পুত্ৰ পাই। এই সকলো সুখৰ গুৰি কোন কব পাৰানে? সাবিত্ৰী নহয়নে? সাবিত্ৰীয়ে লোৱা বৰৰ পৰাই দুয়ো কুল ৰক্ষা পৰিল, দুয়ো কুল উজ্জ্বল হল।

সজ সন্তানে এই দৰেই দুয়ো কুল উদ্ধাৰ কৰে। পৃথিবীও সাবিত্ৰীৰ ভৰিৰ ধূলি পাই ধন্যা। সজ পথত থাকিলে যে আজিও সাবিত্ৰীৰ দৰে হব পাৰি তাত কোনো ভুল নাই। আৰু এই ভাৰতত সাবিত্ৰীৰ আদৰ্শ এতিয়াও ঘৰে ঘৰে দেখিবলৈ পোৱা যায়। ধন্য সাবিত্ৰী! ধন্য ভাৰতবৰ্ষৰ আদৰ্শ!!

শুভ সম্পূৰ্ণমস্তু।



DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR